# সৰুপথাৰ মহাবিদ্যালয়
স্থাপিত ঃ ১৯৭০ চন
SARUPATHAR COLLEGE

# প্ৰতিবিম্ব ই-বাৰ্তা The Reflection

দ্বিতীয় বছৰ, সপ্তম সংখ্যা, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।। দ্বিতীয় বছৰ, সপ্তম সংখ্যা।। মাহেকীয়া ই-বাৰ্তা, ৩০ জানুৱাৰী, ২০২৬, শুক্ৰবাৰ



## ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ পতাকা উন্মোচন কৰে ড° প্ৰাপ্তি ঠাকুৰে

২৬ জানুৱাৰী ২০২৬ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ত উদ্‌যাপন কৰা হয় ৭৭ সংখ্যক গণৰাজ্য দিৱস। মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে ৰাষ্ট্ৰীয় পতাকা উন্মোচন কৰি গণৰাজ্য দিৱস উপলক্ষে চমু ভাষণ প্ৰদান কৰে। পতাকা উন্মোচনৰ পাছত সমবেত কণ্ঠেৰে ৰাষ্ট্ৰীয় গীত পৰিৱেশিত হয়। দেশৰ সংবিধান আৰু গণতন্ত্ৰৰ গুৰুত্বৰ বিষয়ে আলোকপাত কৰি অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে উপস্থিত ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি এক অৰ্থপূৰ্ণ ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ শ্ৰীযুত জয়ন্ত বৰাই বিশেষ বক্তা হিচাপে উপস্থিত থাকি গণৰাজ্য দিৱসৰ গভীৰ তাৎপৰ্য ব্যাখ্যা কৰে। তেওঁ ভাৰতীয় সংবিধান ৰচনাৰ ইতিহাসৰ পৰা আৰম্ভ কৰি কেনেকৈ এখন সাৰ্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে ভাৰতে বিশ্বত পৰিচয় লাভ কৰিছে, সেই বিষয়ে বিষদভাৱে অৱগত কৰে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সাংবিধানিক মূল্যবোধ জগাই তোলাৰ প্ৰয়োজনীয়তাৰ বিষয়ে তেওঁৰ বক্তব্যত বিশেষভাৱে স্থান পায়। তেওঁ নিজৰ ভাষণত দেশৰ প্ৰতি এজন নাগৰিকৰ কৰ্তব্য আৰু সংবিধানৰ নীতি-আদৰ্শসমূহ পালন কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দিনটোৰ কাৰ্যসূচীত মহাবিদ্যালয়খনৰ সকলো শিক্ষক-কৰ্মচাৰীৰ লগতে উৎসাহী ছাত্ৰ-ছাত্ৰীসকলো উপস্থিত থাকে। ■



## সৰুপথাৰ মহাবিদ্যালয়ত শিল্পী দিৱস উদ্‌যাপনঃ ৰূপকোঁৱৰৰ সৃষ্টিৰাজিক সোঁৱৰণ

অসমীয়া সংস্কৃতিৰ কাণ্ডাৰী, সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু তিথি উপলক্ষে ১৭ জানুৱাৰীত সমগ্ৰ ৰাজ্যৰ লগতে সৰুপথাৰ মহাবিদ্যালয়তো 'শিল্পী দিৱস' উদ্‌যাপন কৰা হয়। দিনৰ কাৰ্যসূচী অনুসৰি মহাবিদ্যালয়ৰ বাকৰিত থকা দেৱালত স্থাপিত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰি অনুষ্ঠানৰ শুভাৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ শিক্ষকসকল আৰু ছাত্ৰ-ছাত্ৰীয়ে ৰূপকোঁৱৰৰ প্ৰতিচ্ছবিত শ্ৰদ্ধা জনাই তেওঁৰ অমৰ সৃষ্টিৰাজিক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। অনুষ্ঠানত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° ববিতা দত্তই জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু দৰ্শনৰ ওপৰত এক সাৰুৱা বক্তব্য দাঙি ধৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে জ্যোতিপ্ৰসাদ কেৱল এজন শিল্পীয়েই নাছিল, তেওঁ আছিল এগৰাকী সমাজ সংস্কাৰক আৰু বিপ্লৱী। অসমীয়া নাট্য সাহিত্য, সংগীত আৰু চলচ্চিত্ৰ জগতলৈ তেওঁ আগবঢ়োৱা অনবদ্য অৱদানৰ কথা উল্লেখ কৰি নৱপ্ৰজন্মক ৰূপকোঁৱৰৰ আদৰ্শৰে অনুপ্ৰাণিত হ'বলৈ আহ্বান জনায়। এই সমগ্ৰ অনুষ্ঠানটোৰ পৰিচালনা তথা সফল ৰূপায়ণত মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক স্মিতা চেতিয়াই বিশেষভাৱে সহযোগিতা আগবঢ়ায়।



উল্লেখ্য যে, প্ৰতিবছৰে ১৭ জানুৱাৰীৰ দিনটো ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ মৃত্যু দিৱস হিচাপে সমগ্ৰ অসমতে শিল্পী দিৱস হিচাপে পালন কৰা হয়। ১৯০৩ চনৰ ১৭ জুনত ডিব্ৰুগড় জিলাৰ তামোলবাৰী চাহ বাগিচাত জন্মগ্ৰহণ কৰা এইগৰাকী মহান মনিষীয়ে ১৯৫১ চনৰ ১৭ জানুৱাৰীত ইহলীলা সম্বৰণ কৰিছিল। অসমৰ প্ৰথমগৰাকী চলচ্চিত্ৰ নিৰ্মাতা, নাট্যকাৰ, গীতিকাৰ আৰু কবি হিচাপে তেওঁ অসমীয়া সাংস্কৃতিক বিশ্ব দৰবাৰত এক সুকীয়া পৰিচয় দি থৈ গৈছে।■

## 'নৰম বড়োলেণ্ড উশ্বু চেম্পিয়নশ্বিপ'ত স্বৰ্ণ পদক অৰ্জন সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নাং চেং চিৰিঙৰ

**যাত্ৰা অসীম অনন্ত... ছাত্ৰ-ছাত্ৰীৰ সাফল্য**

২৩, ২৪ আৰু ২৫ জানুৱাৰী, ২০২৬ তাৰিখে কোকৰাঝাৰত অনুষ্ঠিত হোৱা 'নৰম বড়োলেণ্ড উশ্বু চেম্পিয়নশ্বিপ'ত সৰুপথাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিকৰ ছাত্ৰী নাং চেং চিৰিঙে ৬০ কেজিৰ জুনিয়ৰ শাখাত স্বৰ্ণ পদক অৰ্জন কৰিবলৈ সক্ষম হয়। ছাত্ৰগৰাকীৰ এই সফলতাই স্বাভাৱিকতেই মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গক আনন্দিত কৰিছে। মহাবিদ্যালয়খনৰ সন্মানীয় অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে ছাত্ৰীগৰাকীক শুভেচ্ছাৰ লগতে আন্তৰিক অভিনন্দন জ্ঞাপন কৰে।■

## ৭৭ সংখ্যক গণৰাজ্য দিৱস পালনঃ সৰুপথাৰ সমজিলা প্ৰশাসনৰ পেৰেডত সৰুপথাৰ মহাবিদ্যালয়ত এন.চি.চি দলৰ শ্ৰেষ্ঠত্ব অৰ্জন

সৰুপথাৰ সমজিলা প্ৰশাসনে আয়োজন কৰা ৭৭ সংখ্যক কেন্দ্ৰীয় গণৰাজ্য দিৱসৰ কাৰ্যসূচীত সৰুপথাৰ মহাবিদ্যালয় এন.চি.চি দলে গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হয়। সমজিলা প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত হোৱা পেৰেড প্ৰতিযোগিতাত মহাবিদ্যালয় এন.চি.চি দলে নিজৰ শ্ৰেষ্ঠ প্ৰদৰ্শনেৰে 'শ্ৰেষ্ঠ দল' হিচাপে বিবেচিত হয়। সমান্তৰালকৈ মহাবিদ্যালয়খনৰ এন.চি.চি কেডেট তথা ছাত্ৰ ৰৌশন চাহুয়ে নিজৰ অতুলনীয় নেতৃত্ব আৰু দক্ষতাৰ পৰিচয় দি পেৰেডত 'শ্ৰেষ্ঠ কামাণ্ডাৰ' (Best Commander) ৰ সন্মান অৰ্জন কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনে। সমজিলা প্ৰশাসনৰ তৰফৰ পৰা তেওঁলোকৰ এই কৃতিত্বত পুৰস্কাৰ প্ৰদান কৰে। মহাবিদ্যালয়খনৰ এন.চি.চি দল আৰু ৰৌশন চাহুৰ এই সাফল্যত সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষৰ লগতে শিক্ষকসকলে আন্তৰিক অভিনন্দন জ্ঞাপন কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ এই সফলতাই অঞ্চলটোৰ লগতে মহাবিদ্যালয়ৰ শৈক্ষিক আৰু সহ-শৈক্ষিক দিশত এক নতুন মাত্ৰা প্ৰদান কৰিছে। ■




## সৰুপথাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহ ২০২৬

সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উদ্যোগত ১৯ জানুৱাৰীৰ পৰা উলহ-মালহেৰে আৰম্ভ হৈছে 'বাৰ্ষিক ক্ৰীড়া সপ্তাহ ২০২৬'। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ক্ৰীড়া মানসিকতা বৃদ্ধি আৰু ঐক্যৰ ভাৱ গঢ়ি তোলাৰ উদ্দেশ্যে আয়োজিত এই ক্ৰীড়া সমাৰোহ ২৬ জানুৱাৰীলৈকে বিভিন্ন কাৰ্যসূচীৰে অনুষ্ঠিত হয়। প্ৰথম দিনৰ কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰি ক্ৰীড়া সপ্তাহৰ শুভাৰম্ভ কৰে। ভাষণ প্ৰসংগত তেওঁ ছাত্ৰ-ছাত্ৰীসকলক শাৰীৰিক সুস্থতা আৰু ক্ৰীড়াৰ গুৰুত্বৰ বিষয়ে চমুকৈ এক অনুপ্ৰেৰণামূলক বক্তব্য আগবঢ়ায়।



মহাবিদ্যালয়ৰ পতাকা উত্তোলনৰ পিছতেই ছাত্ৰ একতা সভাৰ সভানেত্ৰী দেৱযানী গগৈয়ে একতা সভাৰ পতাকা উত্তোলন কৰে। ক্ৰীড়া সপ্তাহৰ সৈতে সংগতি ৰাখি অলিম্পিক শিখা প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ ছাত্ৰ মনোজ বসুমতাৰী আৰু ছাত্ৰী লক্ষীমণি দত্তই যুটীয়াভাৱে অলিম্পিক শিখা প্ৰজ্বলন কৰাৰ লগে লগে খেলসমূহৰ আনুষ্ঠানিক আৰম্ভণি হয়। ১৯ জানুৱাৰীৰ পৰা ২৬ জানুৱাৰীলৈ অনুষ্ঠিত হোৱা এই সপ্তাহজোৰা কাৰ্যসূচীত বহিৰ্বিভাগ আৰু অন্তৰ্বিভাগৰ অন্তৰ্ভুক্ত বিভিন্ন খেলে খেলোৱা হয়। ক্ৰীড়া সপ্তাহ দৌৰ, জঁাপ, ভলীবল, ক্ৰিকেটৰ পৰা আদি কৰি কেৰম, ডবা আদি প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীসকলে নিজৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰিব পৰা এক মঞ্চ। সমান্তৰালকৈ সাহিত্য, সাংস্কৃতিক প্ৰতিযোগিতা অনুষ্ঠিত হয়।■

## ২০২৬ বৰ্ষৰ প্ৰথমটো চিকিৎসা শিবিৰ টেঙানিৰ আঁহতগুৰি মধ্য ইংৰাজী বিদ্যালয়ত

সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগ আৰু সৰুপথাৰ সমজিলা স্বাস্থ্য কেন্দ্ৰৰ সহযোগত ২০২৬ বৰ্ষৰ জানুৱাৰী মাহৰ মুকলি স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হ'ল বৰপথাৰ টেঙানিৰ আঁহতগুৰি মধ্য ইংৰাজী বিদ্যালয়ত। ৩ জানুৱাৰী, ২০২৬, জানুৱাৰী মাহৰ প্ৰথমটো শনিবাৰে বিদ্যালয়খনত আগবঢ়োৱা হয় বিনামূলীয়া চিকিৎসা সেৱা। স্থানীয় ৰাইজ, শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীকে ধৰি শতাধিক ব্যক্তিয়ে এই স্বাস্থ্য শিবিৰত অংশ গ্ৰহণ কৰে। সৰুপথাৰ অসামৰিক চিকিৎসালয়ৰ মুখ্য চিকিৎসক ডাঃ অজিত গগৈৰ লগতে স্বাস্থ্য শিবিৰত সেৱা আগবঢ়োৱা চিকিৎসা কৰ্মীসকলক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়ে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।■



# বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ বন্দনাৰে মুখৰিত সৰুপথাৰ মহাবিদ্যালয়।

২৩ জানুৱাৰী ২০২৬ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়ত অতি উলহ-মালহৰে বিদ্যাৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতীৰ পূজা উদযাপন কৰা হয়। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সক্ৰিয় অংশগ্ৰহণেৰে মহাবিদ্যালয়ৰ চৌহদ এক আধ্যাত্মিক আৰু উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছিল। পুৱাৰে পৰা ছাত্ৰ-ছাত্ৰীসকলে সৰস্বতীৰ চৰণত পুষ্পাঞ্জলি অৰ্পণ কৰি আশীৰ্বাদ লয়। পূজাৰ অন্তত উপস্থিত সকলোৰে মাজত প্ৰসাদ বিতৰণ কৰা হয়। সৰস্বতী পূজা কেৱল এটা ধৰ্মীয় অনুষ্ঠান নহয়, ই শিক্ষাৰ্থীসকলৰ মাজত একতা আৰু ভাতৃত্ববোধ গঢ়ি তোলাৰো এক মাধ্যম। সৰুপথাৰ মহাবিদ্যালয়ৰ এই ধাৰাবাহিক পৰম্পৰাই অঞ্চলটোৰ শৈক্ষিক পৰিৱেশক অধিক সজীৱ কৰি তোলে। উল্লেখযোগ্য যে জ্ঞান, কলা আৰু বিদ্যাৰ দেৱী সৰস্বতীক সন্তুষ্ট কৰিবলৈ ৰাজ্যৰ প্ৰান্তে প্ৰান্তে পূজাৰ ব্যাপক আয়োজন হয় । বিদ্যালয়, মহাবিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলে সৰস্বতীৰ বন্দনাৰে মুখৰিত কৰি তোলে। ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যা অৰ্জনৰ বাবে আশিস বিচৰা এক প্ৰধান পৰম্পৰা। ধৰ্মীয় ভেদাভেদ নোহোৱাকৈ সকলোৱে মিলি সৰস্বতী পূজা উদযাপন কৰা দেখা যায়।■



## ২০২৫-২৬ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সাফল্য

**যাত্ৰা অসীম অনন্ত...ছাত্ৰ-ছাত্ৰীৰ সাফল্য**

২৮ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈকে দুলীয়াজান মহাবিদ্যালয়ত অনুষ্ঠিত ২০২৫-২৬ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে সৰ্বমুঠ ৮ টা পদক লাভ কৰিবলৈ সক্ষম হয়। ঢোল বাদনত প্ৰিন্স গগৈয়ে দ্বিতীয় আৰু সৃষ্টিশীল নৃত্যত বিতোপন শ্বয়ে তৃতীয় স্থান অধিকাৰ কৰে। প্ৰথম বাৰৰ বাবে পাশ্চাত্য সংগীত প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ ছাত্ৰ ধৰণী সোণোৱাল বৰাই বিচাৰকৰ বিশেষ বঁটা লাভ কৰে। ডিব্ৰুগড় বিশ্ববিদ্যালয় ছাত্ৰ একতা সভাই আয়োজন কৰা সাহিত্য প্ৰতিযোগিতাত দুলেশ্বৰে শইকীয়াই প্ৰবন্ধ, চলচ্চিত্ৰ-সমালোচনা আৰু গ্ৰন্থ-আলোচনাত প্ৰথম পুৰস্কাৰ লাভ কৰে। সেইদৰে যুৱ মহোৎসৱৰ সৈতে সংগতি ৰাখি দুলীয়াজান মহাবিদ্যালয়ে আয়োজন কৰা সাহিত্য প্ৰতিযোগিতাত দুলেশ্বৰে শইকীয়াই প্ৰবন্ধ আৰু চলচ্চিত্ৰ- সমালোচনাত ক্ৰমে প্ৰথম আৰু তৃতীয় স্থান লাভ কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। স্বাভাৱিকতেই ছাত্ৰসকলৰ এই সফলতাই মহাবিদ্যালয় পৰিয়ালবৰ্গক আনন্দিত কৰিছে। সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ মহোদয়ে ছাত্ৰ-ছাত্ৰীসকলক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। ■



## English Section

# Sarupathar College Student Selected in Assam Rifles Under Sports Quota

Ashamani Muchahary, a 4th Semester student of Sarupathar College, a national Pencak Silat medalist and a representative of the Assam team in the Khelo India National Beach Games 2025, has achieved a significant milestone by getting selected in the Assam Rifles under the Pencak Silat Sports Quota. The result was declared on 31st December 2025. She formally received her appointment letter on 24th January 2026 at the BSF Headquarters, Guwahati. Her achievement has brought great pride to Sarupathar College and serves as a strong inspiration for young sportspersons across the state. ■



## English Section

# Sarupathar College Pays Solemn Tribute on National Martyr's Day

Sarupathar College observed National Martyr's Day (Shaheed Divas) on 30 January with deep respect and solemnity, commemorating the supreme sacrifices made for India's freedom, with special homage to Mahatma Gandhi, the "Father of the Nation." The programme aimed to remind students and staff of the values of truth, non-violence, and patriotism championed by Gandhiji. The observance included a moment of silence in his memory and reflections on the enduring relevance of his ideals. Through this programme, Sarupathar College reaffirmed its commitment to nurturing national consciousness and honoring the legacy of the nation's martyrs.■




# Certificate Distribution Ceremony on Comprehensive Tea Technology and Management Held at Sarupathar College

Sarupathar College organized the Certificate Distribution Ceremony of the One Year Certificate Course on "Comprehensive Tea Technology and Management" on 10 January 2026. The programme was held in a dignified and enthusiastic atmosphere with the participation of faculty members, students, and invited guests. The Chief Guest of the ceremony was Mr. Tapan Kumar Gohain, Registrar, Assam Agricultural University (AAU), Jorhat. ■



## আলোকচিত্ৰ







২০২৫-২৬ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্ত:মহাবিদ্যালয় যুৱ মহোৎসৱত সৰুপথাৰ মহাবিদ্যালয়ৰ দল



'নৱম বড়োলেণ্ড উশ্বু চেম্পিয়নশ্বিপ'ত স্বৰ্ণ পদক অৰ্জন কৰা সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নাং চেং চিৰিং

**প্ৰতিবিম্ব ই-বাৰ্তাৰ এই সংখ্যাৰ** সম্পাদনা সমিতিঃ

মুখ্য উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ

উপদেষ্টাঃ ড° ববিতা দত্ত

সম্পাদকঃ সত্যব্ৰত দত্ত

সম্পাদক (ইংৰাজী শাখা)ঃ তৃস্মিতা বড়া

সহঃ সম্পাদকঃ যুগল মেধি, কাৰিকৰী ব্যৱস্থাপনা ঃ যুগল মেধি